# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-04-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ সংসদত গৃহীত হৈছে।

২। সংসদে মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰাৰ কথা নিশ্চিত কৰি এটা সাংবিধানিক প্ৰস্তাৱ গ্ৰহণ কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বেংককত ষষ্ঠ বিমষ্টেক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব।

*আৰু*

৪। কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৮০ ৰানত পৰাস্ত কৰে।

ooooo

ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ সংসদত গৃহীত হৈছে। ৰাজ্যসভাই প্ৰায় ১২ ঘণ্টা জোৰা আলোচনাৰ অন্তত যোৱানিশা বিধেয়কখনত অনুমোদন জনায়। উচ্চ সদনত ১২৮ গৰাকী সদস্যই সংশোধনী বিধেয়কখনৰ সপক্ষে আৰু ৯৫ গৰাকীয়ে বিপক্ষে ভোটদান কৰে। লোকসভাত ইতিমধ্যে বিধেয়খন গৃহীত হৈছে।

ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ৰ মূল উদ্দেশ্য হৈছে- ঐতিহ্যস্থলীসমূহৰ সুৰক্ষা আৰু সামাজিক কল্যাণ সুনিশ্চিত কৰা। এই বিধেয়কখনৰ জৰিয়তে ৱক্‌ফ পৰিষদৰ সা-সম্পত্তিৰ ব্যৱস্থাপনাৰ দিশটো অধিক স্বচ্ছ কৰি তোলাৰ লগতে  ৱক্‌ফ পৰিষদ আৰু স্থানীয় কৰ্তৃপক্ষসমূহৰ মাজত সমন্বয় গঢ়ি তুলিবলৈ বিচৰা হৈছে। বিধেয়কখনত মুছলমান মহিলা বিশেষকৈ স্বামীহাৰা আৰু বিবাহ বিচ্ছেদিত মহিলাসকলৰ আৰ্থ-সামাজিক স্থিতিৰ উন্নয়নৰ ব্যৱস্থা আছে।

বিধেয়কখন সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দি সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে মুছলমান সম্প্ৰদায়ৰ দুখীয়া লোকসকল বিধেয়কখনৰ পৰা উপকৃত হ'ব আৰু ইয়াৰ পৰা এগৰাকী মুছলমানৰো ক্ষতি নহয়। তেওঁ কয়, যে বিধেয়কখনে ৱক্‌ফ সা-সম্পত্তি কোনো ধৰণে হস্তক্ষেপ নকৰে। নৰেন্দ্ৰ মোদী চৰকাৰে সবকা সাথ, সবকা বিকাশ দৃষ্টিভংগীৰে কাম কৰি আহিছে আৰু চৰকাৰখনে কোনো সম্প্ৰদায়ৰ সৈতে ভেদভাৱ নকৰে বুলি শ্ৰীৰিজিজুৱে মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে মুছলমানসকল দেশৰ মূল সুঁতিলৈ আনিবলৈ বিচাৰিছে। তেওঁ কয়, যে যুটীয়া সংসদীয় সমিতিয়ে সাংসদসকলৰ মতামত গুৰুত্ব চৰকাৰে বিবেচনা কৰিছে আৰু তেওঁলোকৰ দিহা-পৰামৰ্শও বিধেয়কখনত অন্তৰ্ভুক্ত কৰা হৈছে। কেন্দ্ৰীয় ৱক্‌ফ পৰিষদৰ পদেয়ন সদস্যসহ মুঠ ২২ গৰাকী সদস্য থাকিব আৰু পৰিষদৰত ৪ গৰাকীতকৈ অধিক অনা মুছলমান সদস্য নাথাকে বুলি শ্ৰীৰিজিজুৱে স্পষ্ট কৰি দিয়ে। তেওঁ লগতে কয়, যে ৱক্‌ফ পৰিষদৰ ১১ গৰাকী সদস্যৰ ভিতৰত ৩ গৰাকী অনা মুছলমান সদস্য থাকিব।

মন্ত্ৰীগৰাকীয়ে কয়, যে ৱক্‌ফ পৰিষদ পৰিনিয়ত নিকায় হিচাপে ধৰ্ম নিৰপেক্ষ হোৱা উচিত যদিও চৰকাৰে ইয়াত অনা মুছলমান সদস্যৰ সংখ্যা সীমিতহে কৰিছে।

ইয়াৰ পূৰ্বে, ৰাজ্যসভাত বিধেয়কখন উত্থাপন কৰি শ্ৰীৰিজিজুৱে কয়, যে বিভিন্ন পক্ষৰ লগতে যুটীয়া সংসদীয় সমিতিৰ সৈতে বিশদ আলাপ-আলোচনাৰ অন্তত বিধেয়কখন অনা হৈছে। তেওঁ লগতে বিধেয়কখনৰ প্ৰতি সমৰ্থন আগবঢ়াবলৈ বিৰোধী পক্ষৰ প্ৰতি আহ্বান জনায়।

আলোচনাত ভাগ লৈ কংগ্ৰেছৰ ড° চৈয়দ নাছিৰ হুছেইনে কয়, যে বিধেয়কখন বিভ্ৰান্তিকৰ আৰু ধৰ্মীয় মেৰুকৰণৰ অভিপ্ৰায়েৰে ইয়াক যুগুতাই উলিওৱা হৈছে। বিজেপিয়ে সম্প্ৰদায়সমূহক ভাগ ভাগ কৰিব বিচাৰিছে বুলিও ড° হুছেইনে অভিযোগ তোলে। তেওঁ কয়, যে বিজেপি চৰকাৰৰ দিনত ৱক্‌ফ পৰিষদৰ বাবে ধন আৱণ্টন কৰা হোৱা নাই আৰু পৰিষদৰ কৰ্মচাৰীসকলক বেতন আদায় দিয়া হোৱা নাই। ড° হুছেইনৰ বক্তব্যত হস্তক্ষেপ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে বিৰোধী পক্ষই জনসাধাৰণক বিপথে পৰিচালনা কৰাৰ চেষ্টা কৰিছে।

আলোচনাত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰী তথা উচ্চ সদনৰ নেতা জে পি নাড্ডাই সদনে একীকৃত ৱক্‌ফ ব্যৱস্থাপনা সৱলীকৰণ, দক্ষতা আৰু উন্নয়ন বিধেয়ক হিচাপে নতুনকৈ নামকৰণ কৰা ৱক্‌ফ সংশোধনী বিধেয়কখনৰ প্ৰতি সমৰ্থন আগবঢ়াব বুলি আশা প্ৰকাশ কৰে।

ডি. এম. কেৰ তিৰুচী শিৱাই বিধেয়কখনৰ বিৰোধিতা কৰি কয়, যে এটা বিশেষ সম্প্ৰদায়ক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হৈছে। তেওঁ কয়, যে বিধেয়কখন ধৰ্ম নিৰপেক্ষতাৰ পৰিপন্থী আৰু  অসংবিধানিক।

টি. এম. চিৰ সাংসদ মহম্মদ নাদিমুল হকে বিধেয়কখন  জনসাধাৰণৰ মৌলিক অধিকাৰৰ পৰিপন্থী বুলি মন্তব্য কৰে। আম আদমী পাৰ্টীৰ সাংসদ সঞ্জয় সিঙে বিধেয়কখনক অসংবিধানিক আখ্যা দিয়ে আৰু বিধেয়কখন প্ৰত্যাহ্বাৰ কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়। আলোচনাত অংশ লৈ আৰ. জে. ডিৰ মনোজ কুমাৰ ঝাই বিধেয়কখনৰ বিষয়বস্তুক লৈ প্ৰশ্ন উত্থাপন কৰে। বিজেপিৰ ৰাধামোহন দাসে কংগ্ৰেছৰ শাসনকালত দুখীয়া মুছলমানসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ বাবে কোনো কাম কৰা হোৱা নাছিল বুলি অভিযোগ তোলে।

জে ডি এছৰ মুৰববী এইচ ডি দেৱেগৌড়াই বিধেয়কখন উত্থাপন কৰাৰ বাবে নৰেন্দ্ৰ মোদী চৰকাৰক অভিনন্দন জনায়। তেওঁ কয়, যে মুছলমান সম্প্ৰদায়ৰ চহকী আৰু শক্তিশালী লোকসকলে ৱক্‌ফ সম্পত্তিৰ অপ-ব্যৱহাৰ কৰি আহিছে। ইয়াৰ বিপৰীতে শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ নেতা সঞ্জয় ৰাৱটে বিধেয়কখন ৰাষ্ট্ৰ হিতৰ পৰিপন্থী বুলি অভিযোগ উত্থাপন কৰে। সদনত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেও বিধেয়কখনৰ বিৰোধিতা কৰে আৰু ইয়াক প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়। তেওঁ কয়, যে বিধেয়কখনত ভালেমান আসোঁৱাহ আছে আৰু ই সংবিধানৰ আদৰ্শৰ পৰিপন্থী। আলোচনাত ভাগ লৈ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ৰামদাস আঠাৱালেই কয়, যে বিধেয়কখন অসংবিধানিক নহয় কাৰণ ই সংখ্যালঘু সম্প্ৰদায়সমূহক ঐক্যবদ্ধহে কৰিব।

সংসদে কালি মুছলমান ৱক্‌ফ বাতিলকৰণ বিধেয়ক ২০২৪তো অনুমোদন জনায়। এই বিধেয়কখনে ১৯২৩ চনৰ মুছলমান ৱক্‌ফ আইনৰ ঠাই ল'ব।

ooooo

সংসদে মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰাৰ কথা নিশ্চিত কৰি এটা সাংবিধানিক প্ৰস্তাৱ গ্ৰহণ কৰিছে। ৰাজ্যসভাই যোৱানিশা এই প্ৰস্তাৱটোত অনুমোদন জনায়। এই প্ৰস্তাৱটো যোৱা ১৩ ফেব্ৰুৱাৰীত সংবিধানৰ ৩৫৬ অনুচ্ছেদৰ ১ নম্বৰ দফাৰ অধীণত মণিপুৰত ৰাষ্ট্ৰপতি শাসন বলৱৎকৰণৰ সৈতে জড়িত। লোকসভাত এই প্ৰস্তাৱ ইতিমধ্যে গৃহীত হৈছে।

সদনত এই প্ৰস্তাৱ সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে যোৱা নৱেম্বৰৰ পৰা মণিপুৰত কোনো ধৰণৰ হিংসা সংঘটিত হোৱাৰ বাতৰি পোৱা হোৱা নাই। পৰিস্থিতি নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হোৱাৰ বাবেই ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰা বুলি বিৰোধী পক্ষই উত্থাপন কৰা অভিযোগ তেওঁ খণ্ডন কৰে। তেওঁ লগতে কয়, যে মুখ্যমন্ত্ৰীৰ পদত্যাগৰ পাছত কোনো এটা দলে চৰকাৰ গঠনৰ দাবী উত্থাপন কৰাৰ বাবে আগবাঢ়ি অহা নাছিল আৰু এনে পৰিস্থিতিত ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰা হৈছিল।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি থাইলেণ্ডৰ বেংককত ষষ্ঠ বিমষ্টেক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব। এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে বিমষ্টেক-সমৃদ্ধিশালী, স্থিতিস্থাপক গুণসম্পন্ন আৰু মুকলি। এইবেলি শীৰ্ষ সন্মিলনত 'বেংকক দৃষ্টিভংগী-২০৩০' আনুষ্ঠানিকভাৱে গ্ৰহণ কৰাৰ লগতে সংগঠনটোৰ পৰৱৰ্তী কাৰ্যব্যৱস্থা নিৰূপণৰ উদ্দেশ্যে BIMSTEC-ৰ বিশিষ্ট ব্যক্তিসকলৰ গোটে দাখিল কৰা প্ৰতিবেদনখন বিবেচনালৈ অনা হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কালি দুদিনীয়া ভ্ৰমণসূচীৰে বেংককত উপস্থিত হয়। তেওঁ কালি থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী পিটংটাৰ্ন চিনাৱাট্ৰাৰ সৈতে দ্বিপাক্ষিক আলোচনাত অংশগ্ৰহণ কৰে। আলোচনা কালত নেতা দুগৰাকীয়ে ভাৰত আৰু থাইলেণ্ডৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ আটাইবোৰ দিশৰ পৰ্যালোচনা চলায়। প্ৰধানমন্ত্ৰীদ্বয়ে ৰাজনৈতিক বিনিময়, প্ৰতিৰক্ষা সহযোগিতা, কৌশলগত আলোচনা, বাণিজ্য আৰু বিনিয়োগ, জনসম্পৰ্ক অধিক সুদৃঢ় কৰাৰ উপায় সম্পৰ্কেও মত বিনিময় কৰে। তেওঁলোকে যোগাযোগ উন্নত কৰাৰ লগতে স্বাস্থ্য, বিজ্ঞান, প্ৰযুক্তি, ষ্টাৰ্টআপ, উদ্ভাৱণ, ডিজিটেল, শিক্ষা, সংস্কৃতি আৰু পৰ্যটন সহযোগিতা শক্তিশালী কৰাৰ পোষকতা কৰে। নেতা দুগৰাকীয়ে মানৱ সৰবৰাহ, নিচাযুক্ত সামগ্ৰী সৰবৰাহ আৰু চাইবাৰ কেলেংকাৰীৰ দৰে সংগঠিত অপৰাধ প্ৰতিৰোধ কৰাৰ বাবে সহযোগিতা বৃদ্ধি কৰাৰ উপায় সম্পৰ্কেও আলোচনা কৰে। প্ৰধানমন্ত্ৰী দুগৰাকীয়ে লগতে বিভিন্ন গোলকীয় বিষয় লৈও মত বিনিময় কৰে আৰু বিমষ্টেক, আছিয়ান আৰু মেকং- গংগা সহযোগিতাকে ধৰি আঞ্চলিক তথা গোলকীয় বহুপাক্ষিক মঞ্চসমূহত সহযোগিতা অধিক ঘনিষ্ঠ কৰি তোলাৰ উপায় সম্পৰ্কে আলোচনা কৰে।

বিমষ্টেক শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ অন্তত প্ৰধানমন্ত্ৰী মোদী আজি বিয়লিৰ ভাগলৈ শ্ৰীলংকালৈ যাব। এয়া হ'ব প্ৰধানমন্ত্ৰী মোদীৰ চতুৰ্থ শ্ৰীলংকা ভ্ৰমণ। এই তিনিদিনীয়া ভ্ৰমণ কালত শ্ৰীমোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। উল্লেখযোগ্য যে, শ্ৰীদিশানায়কে ৰাষ্ট্ৰপতিৰ শাসনভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰথম বিদেশ ভ্ৰমণ হিচাপে ভাৰতলৈ আহিছিল।

ooooo

কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৮০ ৰানত পৰাস্ত কৰে। ছান ৰাইজাৰ্ছ হায়দৰাবাদে ২০১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২০ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ পূৰ্বে, কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২০০ ৰান সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**